অধ্যায় ৮ ঃ বাণিজ্যিক বেংক

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ বাণিজ্যিক বেংকৰ কার্যাৱলী
৮.৪ বাণিজ্যিক বেংকৰ উদ্বৃত্ত পত্র ঃ পাওনাপক্ষ আৰু দেনাপক্ষ
৮.৫ তাৰল্য আৰু লাভৰ মাজৰ সংঘাত বা বৈপৰীত্য
৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৭ অধিক জানিবৰ বাবে
৮.৮ অগ্রগতিৰ খতিয়ান
৮.৯ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বাণিজ্যিক বেংকৰ অর্থ আৰু অন্যান্য বিত্তীয় প্রতিষ্ঠানৰ লগত ইয়াৰ পার্থক্য নিৰূপণ কৰিব পাৰিব
- আধুনিক অর্থনীতিত বাণিজ্যিক বেংকৰ বিভিন্ন কামকাজ আৰু অর্থনীতিৰ ৰেলেগ বেলেগ ক্ষেত্র, সংস্থা আৰু ব্যক্তিলৈ বিত্তীয় সেৱা আগবঢ়োৱাৰ ক্ষেত্রত ইয়াৰ গুৰুত্ব অনুধাৱন কৰিব পাৰিব
- বাণিজ্যিক বেংকৰ বেলেঞ্চছিট বা উদ্বৃত্ত- ইয়াৰ দেনা (অর্থাৎ বেংকসমূহে আনৰ ওচৰত থকা ঋণ বা অইনে বেংকৰ ওচৰত কি দাবী কৰিব পাৰে) আৰু পাওনা (অর্থাৎ বেংকৰ উপার্জনৰ উৎসসমূহ) সম্পর্কে জ্ঞাত হ'ব
- এখন সুষম বেলেঞ্চছিট ৰক্ষা কৰাৰ ক্ষেত্রত জড়িত বিষয়সমূহ ব্যাখ্যা কৰিব পাৰিব।

৮.২ পৰিচয়

এক বিশেষ ধৰণৰ ব্যৱসায়ৰ পৰিবর্তে সাধাৰণ উদ্দেশ্যেৰে ব্যৱসায় কৰা বেংককে বাণিজ্যিক বেংক বুলি অভিহিত কৰা হয়। এই প্রতিষ্ঠানবোৰে জনসাধাৰণৰ পৰা মুদ্রাৰ সঞ্চয় সংগ্রহ কৰে, আৰু ধাৰলৈ দিয়ে। আধুনিক অর্থনীতিত আনুষ্ঠানিক ঋণৰ উৎস হিচাপে বাণিজ্যিক বেংকসমূহ অতি গুৰুত্বপূর্ণ। জনসাধাৰণৰ পৰা সঞ্চয় সংগ্রহ আৰু ঋণ প্রদানৰ বাহিৰেও বাণিজ্যিক বেংকসমূহে ইয়াৰ গ্রাহক সকললৈ এক বিস্তৃত পৰিসৰৰ সেৱা আগবঢ়ায়। বাণিজ্যিক বেংক সমূহক প্রায়ে বিত্তীয় সেৱাৰ বিভাগীয় ভঁৰাল বুলি অভিহিত কৰা হয়। দেশ এখনৰ অর্থনৈতিক

জীৱনত বাণিজ্যিক বেংকে পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে ই আগবঢ়োৱা সেৱাবোৰেই নির্দেশ কৰে। এই অধ্যায়টিত প্ৰথমে আমি বাণিজ্যিক বেংকৰ গুৰুত্বপূৰ্ণ কার্যাৱলী আৰু দেনাপক্ষ আৰু পাওনাপক্ষৰ মূল বিষয় সমূহৰ বিষয়ে আলোচনা কৰিম।

৮.৩ বাণিজ্যিক বেংকৰ কার্যাৱলী

আধুনিক অর্থনীতিত বাণিজ্যিক বেংকে কেতবোৰ অনন্য কার্য ৰূপায়ন কৰে। এই বেংকসমূহৰ কার্যাৱলী ইমানেই বিস্তৃত যে বেংকসমূহৰ কার্য আৰু সেৱাসমূহ তালিকাভুক্ত কৰি শেষ কৰাটো প্ৰায় অসম্ভৱ। তথাপিও তলত বাণিজ্যিক বেংকে সম্পাদন কৰা কেতবোৰ মৌলিক কার্য আলোচনা কৰা হ'ল ঃ

- **আমানত সংগ্ৰহ** (Accepting Deposits) ঃ বাণিজ্যিক বেংকে জনসাধাৰণৰ পৰা জমা সংগ্ৰহ কৰে। এই বেংকসমূহে সকলো প্ৰকাৰৰ ব্যক্তি, দল (গ্ৰুপ) বা সংগঠনৰ পৰা জমা সংগ্ৰহৰ চেষ্টা কৰে। বহলভাৱে এই জমা তিনি প্ৰকাৰৰ — *চলিত* (current), *সঞ্চয়* (savings) আৰু *স্থিৰ* (fixed)। এইবোৰক আকৌ দুটা মূল ভাগত ভাগ কৰিব পাৰি — *চাহিদা জমা* (demand deposits) আৰু *কাল জমা* (time deposits)। ইয়াৰ উপৰি সময়ে সময়ে বেংকে বিভিন্ন ধৰণৰ বিশেষ জমা আঁচনিও আগবঢ়াব পাৰে।
- **ঋণ অনুমোদন** (Grant of Credit) ঃ বাণিজ্যিক বেংকৰ দ্বিতীয় গুৰুত্বপূৰ্ণ কার্য হ'ল অর্থনীতিৰ বিভিন্ন খণ্ডলৈ ঋণ অনুমোদন কৰা। এক নির্দিষ্ট পৰিমাণৰ নগদ জমা ৰখাৰ পাচত বাকী জমাখিনি বেংকে প্ৰয়োজন অনুসৰি গ্ৰাহকলৈ ঋণ হিচাপে আগবঢ়ায়। এইবোৰ বিভিন্ন ৰূপত কৰা হয়। যেনে — ঋণ আৰু অগ্ৰিমধন প্ৰদান (loans and advances), বিনিময় পত্ৰৰ বাট্টাকৰণ (discounting of bills) , চৰকাৰী-বেচৰকাৰী দুয়োবিধ মুকলি বজাৰ বন্ধকীপত্ৰত বিনিয়োগ।
- **ঋণ সৃষ্টি** (Credit Creation) ঃ ঋণ সৃষ্টি বাণিজ্যিক বেংকৰ এক অনন্য কার্য। ঋণ সৃষ্টিৰ কার্যই বেংকক অন্যান্য বিত্তীয় প্ৰতিষ্ঠানৰ পৰা পৃথক কৰে। বেংকে ঋণ আগবঢ়োৱাৰ সময়তে সমপৰিমাণৰ বেংক জমা সৃষ্টি কৰি লয়। এনে জমা সৃষ্টিকে 'ঋণ সৃষ্টি' কৰা বুলি কোৱা হয় আৰু ই অর্থনীতিত মুঠ মুদ্ৰাৰ মজুতৰ পৰিমাণ বৃদ্ধি কৰে। বেংকে ইয়াৰ জমাৰ পৰিমাণতকৈ বহু গুণ বেছি ঋণ সৃষ্টি কৰিব পাৰে। এই ঋণ সৃষ্টিৰ ক্ষমতা নির্ভৰ কৰে বেংকটোৰ নগদ জমা অনুপাত (Cash Reserve Ratio), (অর্থাৎ বেংকে মুঠ জমাৰ বিপৰীতে ৰাখিব লগা নগদ মুদ্ৰাৰ পৰিমাণ)-ৰ ওপৰত।
- **চেক (ধনাদেশ) ব্যৱস্থাৰ উন্নয়ন** (Promoting Cheque System) ঃ বাণিজ্যিক বেংকে চেক(ধনাদেশ)ৰ ৰূপত অতি উপযোগী এক বিনিময়ৰ মাধ্যম আগবঢ়ায়। চেকৰ জৰিয়তে জমাকাৰীয়ে তেওঁৰ জমাৰ পৰা পাওতাক দিবৰ বাবে বেংকক

নির্দেশ দিয়ে। বর্তমান সময়ত ঋণ পৰিশোধ কার্যকে ধৰি বিভিন্ন বিনিময়ৰ ক্ষেত্রত চেক বহুলভাৱে ব্যৱহৃত হয়।

- **প্রতিনিধিত্বমূলক কার্য** (Agency Functions) ঃ গ্রাহকসকলৰ হৈ আৰু গ্রাহকসকলৰ বাবে বেংকে কেতবোৰ প্রতিনিধিত্বমূলক কার্যও সম্পাদন কৰে। বেংকে সম্পাদন কৰা তেনে কিছুমান গুৰুত্বপূর্ণ সেৱা তলত উল্লেখ কৰা হ'ল —
  - ➢ *পুঁজি এঠাইৰপৰা আন ঠাইলৈ পঠোৱা কার্য* (Remittances of Funds) ঃ চেক, ড্রাফট্ আদিৰ জৰিয়তে বেংকে গ্রাহকসকলৰ পুঁজি স্থানান্তৰ কৰাত সহায় কৰে।
  - ➢ *ঋণ-আহিলা সংগ্রহ আৰু প্রদান* (Collection and Payments of Credit Instruments) ঃ বেংকে ঋণৰ বিভিন্ন আহিলা, যেনে — চেক, বিনিময় পত্র (bills of exchange), প্রতিজ্ঞা পত্র (promissory notes) ইত্যাদি সংগ্রহ কৰে আৰু প্রদান কৰে।
  - ➢ *স্থায়ী আদেশ কার্যকৰীকৰণ* (Execution of Standard Orders) ঃ বিভিন্ন ধৰণৰ সাময়িক দেনা (periodic payments) -ৰ বাবে গ্রাহকসকলে বেংকক স্থায়ী আদেশ দিব পাৰে আৰু বেংকে গ্রাহকৰহৈ সেইবোৰ কার্য সম্পাদন কৰে। গ্রাহকৰ হৈ বেংকে চাঁদা (subscription), খাজনা (rents), বীমাৰ প্রিমিয়াম (insurance premium) আদি প্রদান কৰে।
  - ➢ *অংশ পত্র ক্রয়-বিক্রয়* (Purchase and Sale of Securities) ঃ বিভিন্ন অংশ পত্র, যেনে — শ্বেয়াৰ, ষ্টক, ডিবেঞ্চাৰ আদি গ্রাহকৰ হৈ বেংকে ক্রয়-বিক্রয় কৰে। বেংকে গ্রাহকৰ হৈ শ্বেয়াৰ আৰু ডিবেঞ্চাৰৰ ডিভিডেণ্ড (dividend) আৰু সূত (interest) সংগ্রহ কৰে।
  - ➢ *জিম্মাদাৰ আৰু কার্যপালক* (Acting as Trustee and Executor) ঃ গ্রাহকৰ অনুৰোধক্রমে বেংকে গ্রাহকৰ ইচ্ছাপত্র (wills) ত জিম্মাদাৰ হিচাপে অংশগ্রহণ কৰি গ্রাহকৰ নির্দেশ ক্রমে কার্যকৰী কৰে।
  - ➢ *বিনিয়োগ সেৱা* (Investment Services) ঃ কেতিয়াবা কেতিয়াবা বেংকে বীমাকর্তা হিচাপে জনসাধাৰণৰ বাবে বিশেষ বিনিয়োগ আঁচনি প্রৱর্তন কৰে। কেতবোৰ নির্বাচিত ক্ষেত্রত বেংকে ব্যক্তিগত অংশপত্রৰ ব্যৱস্থাও কৰে।
- **সাধাৰণ উপযোগিতামূলক কার্যাৱলী** (General Utility Functions) ঃ বর্তমান প্রায়বোৰ বেংকেই কিছুমান সাধাৰণ উপযোগিতামূলক সেৱা আগবঢ়োৱা দেখা যায়—
  - ➢ *চন্দুকৰ সুবিধা* ঃ গ্রাহকসকলক মূল্যবান নথিপত্র আৰু মূল্যবান সম্পদ আদি নিৰাপদ বেষ্টনীত ৰাখিবৰ বাবে বেংকে চন্দুক সুবিধা (Locker Facility) প্রদান কৰে।

- *ঋণ দিবলৈ অনুমতি দিয়া চিঠি* ঃ গ্ৰাহকৰ ঋণ পাব পৰা যোগ্যতাৰ বিষয়ে প্ৰমাণ পত্ৰ দি লিখা চিঠিও বেংকে জাৰি কৰে। ব্যৱসায় বাণিজ্যৰ বাবে এইবোৰ বৰ উপযোগী।
- *পৰিসংখ্যা সংগ্ৰহ* ঃ উদ্যোগ, ব্যৱসায়, বাণিজ্য আদিৰ বিষয়ে পৰিসাংখ্যিক তথ্য বেংকে সংগ্ৰহ কৰে। অৰ্থনীতি আৰু বিত্তীয় বিষয়ৰ গৱেষণামূলক নিবন্ধ সম্বলিত সংবাদপত্ৰ, আলোচনী, পত্ৰিকা আদিও বেংকে প্ৰকাশ কৰি উলিয়ায়।
- *পৰামৰ্শদাতা হিচাপে কাম কৰা*ঃ গ্ৰাহকৰ বিত্তীয় অৱস্থা, ব্যৱসায়িক প্ৰতিপত্তি আদি বিষয়ৰ তথ্য-পাতিৰ বাবে বেংকৰ পৰা পৰামৰ্শ ল'ব পাৰি।
- *বৈদেশিক মুদ্ৰাৰ ব্যৱসায়* ঃ বেংকে বৈদেশিক মুদ্ৰাৰ ব্যৱসায়ো কৰে। বৈদেশিক বিনিময় পত্ৰ বাট্টাকৰণৰ জৰিয়তে বেংকে বৈদেশিক বাণিজ্যৰ বাবে বিত্তৰ যোগানো ধৰে।
- *ভ্ৰমণকাৰী আৰু দান চেক (ধনাদেশ)* ঃ গ্ৰাহকে যাতে নিৰাপদে ভ্ৰমণ কৰিব পাৰে তাৰ বাবে নগদ মুদ্ৰাৰ বিপৰীতেবেংকে ভ্ৰমণকাৰীৰ চেক জাৰী কৰে। কিছুমান বেংকে বিশেষ শুভ উৎসৱৰ বাবে ৫১ টকা, ১০১ টকা, ১০০১ টকা, আদি পৰিমাণৰ চেক জাৰী কৰে।
- যিকোনো সময়তে (24x7) বেংকৰ পৰা টকা উঠোৱাত সহায় হোৱাকৈ, বা বেংকত নোযোৱাকৈ টকা উঠাবৰ বাবে বেংক সমূহে আজি কালি নগৰ, চহৰ বা গাঁওৰ বিভিন্ন অঞ্চলত ATM ৰ ব্যৱস্থা কৰিছে। ATM এবিধ বৈদ্যুতনিক দূৰ সংযোগ পদ্ধতি বা উপায়। যিয়ে বেংক এটাৰ গ্ৰাহকবোৰক কোনো কেছিয়াৰ বা বেংকৰ টেলাৰৰ সহায় নোলোৱাকৈ বিত্তীয় আদান বিশেষকৈ নগদ ধন উলিয়াই অনাৰ ক্ষেত্ৰত সহায় কৰে। ATM ব্যৱহাৰ কৰি গ্ৰাহকবোৰে তেওঁলোকৰ বেংকত থকা জমা বা ঋণৰ হিচাব (Deposit or Credit-account) ৰ বিভিন্ন প্ৰকাৰৰ লেনদেন যেনে টকা উলিওৱা, কিমান টকা জমা আছে তাৰ হিচাব লোৱাৰ লগতে আন একাউণ্টলৈ টকা হস্তান্তৰ কৰিব পাৰে।

৮.৪ বাণিজ্যিক বেংকৰ উদ্বৃত্ত পত্ৰ ঃ পাওনাপক্ষ (Assets) আৰু দেনাপক্ষ (Liabilities)

বিত্তীয় মধ্যস্থতাকাৰী হিচাপে বেংকে প্ৰধানত বিত্তীয় সম্পদৰ লেনদেন কৰে। ই প্ৰতিফলিত হয় বেংকৰ জমা খৰচ লিখা হিচাপৰ তালিকা বা বেলেঞ্চছিটত। বেংকৰ বেলেঞ্চছিট বা জমা খৰচ লিখা হিচাপৰ তালিকা হ'ল বেংকৰ এক নিৰ্দিষ্ট সময়ৰ পাওনাপক্ষ আৰু দেনাপক্ষৰ বিৱৰণ। পাওনাপক্ষ হ'ল অইনৰ ওপৰত বেংকৰ দাবী

আৰু ইয়াৰ সম্পদৰ মালিকীস্বত্ব প্রতিনিধিত্ব কৰা সকলোবোৰ পাওনা বিষয়। আনহাতে, দেনাপক্ষ হ'ল বেংকৰ ওপৰত অইনৰ দাবী বা বেংকৰ বাধ্য-বাধকতা (Obligation) প্রতিনিধিত্ব কৰা সকলোবোৰ দেনা বিষয়। এখন বেলেঞ্চছিটত, মুঠ পাওনাপক্ষ আৰু মুঠ দেনাপক্ষ সদায়েই সমান হয়। গুৰুত্বপূর্ণ মূল অংশসমূহৰ সৈতে এখন আদর্শ বেলেঞ্চছিট তলত দিয়া হ'ল —

তালিকা ৮.১ঃ বাণিজ্যিক বেংকৰ পাওনাপক্ষ আৰু দেনাপক্ষ

দেনাপক্ষ (Liabilities)	**পাওনা পক্ষ** (Assets)
১) অংশীদাৰ মূলধন	১) নগদ সম্পদ
২) সংৰক্ষিত পুঁজি	ক) হাতত থকা নগদ জমা
৩) আমানত	খ)কেন্দ্রীয় বেংকৰ ওচৰত থকা নগদ জমা
ক) চাহিদা আমানত	গ) অন্যান্য বেংকত থকা নগদ জমা
খ) কাল আমানত	২) হ্রস্বকালীন ঋণ আৰু জাননী
গ) সঞ্চয় আমানত	৩) ক্রয় বা ডিচকাউণ্ট কৰা বিল
৪) আনবেংকৰ পৰা গ্রহণ কৰা ঋণ	৪) বিনিয়োগ
৫) অনুমোদন আৰু স্বীকৃতি	৫) ঋণ আৰু অগ্রীম
৬) অন্যান্য দেনা	৬) অনুমোদন আৰু স্বীকৃতি
	৭) ভৱন আৰু অন্যান্য স্থিৰ সম্পদ।

দেনাপক্ষৰ বিষয়সমূহৰ চমু বিৱৰণ

- *অংশীদাৰ মূলধনে* পৰিশোধ মূলধনক বুজায়। ই হ'ল বেংকৰ মালিকসকলে আগবঢ়োৱা অংশীদাৰ মূলধনৰ পৰিমাণ।
- মুনাফাৰ অবিভাজিত অংশটোকে *সংৰক্ষিত পুঁজি* বোলা হয়।
- জনসাধাৰণৰ পৰা সংগ্রহ কৰা *আমানতে* বেংকৰ কার্যকৰী মূলধনৰ বৃহৎ অংশ এটা গঠন কৰে। বেংকে চাহিদা আমানত, কাল আমানত আৰু সঞ্চয় আমানত সংগ্রহ কৰে। আমানত হ'ল বেংকৰ দেনা, কাৰণ জমাকাৰীয়ে তেওঁলোকৰ প্রয়োজন সাপেক্ষে এই আমানত আংশিকভাৱে বা পূর্ণভাৱে উঠাই ল'ব পাৰে।
- ঋণৰ বর্দ্ধিত চাহিদা পূৰণ কৰিবৰ বাবে সাময়িকভাৱে অন্য বেংকৰপৰা লোৱা ধাৰেই হৈছে *অন্য বেংকৰ পৰা গ্রহণ কৰা ঋণ*। সাধাৰণতে বাণিজ্যিক বেংকে অন্তিম ঋণদাতাৰ ভূমিকাত অৱতীর্ণ হোৱা কেন্দ্রীয় বেংকৰপৰা ঋণ গ্রহণ কৰে। এই সকলোবোৰ বেংকৰ দেনাপক্ষত অন্তর্ভুক্ত কৰা হয়।
- গ্রাহকৰ হৈ বিনিময় পত্রৰ *অনুমোদন আৰু স্বীকৃতি* বেংকৰ দেনাপক্ষত অন্তর্ভুক্ত

হয়। এই সুবিধাৰ জৰিয়তে বেংকে ম্যাদ পূৰ্ণ হোৱাৰ পাচত বিনিময় পত্ৰৰ ঋণৰ পৰিমাণ আদায় দিব বুলি ধৰি লয়।

- *অন্যান্য দেনাই* বেংকৰ বিভিন্ন শিতানৰ দেনাসমূহক সূচায়। উদাহৰণস্বৰূপে — প্ৰতিনিধি হিচাপে গ্ৰাহকৰ হৈ সংগ্ৰহ কৰা ধন দেনাপক্ষত অন্তৰ্ভুক্ত হয়। আকৌ বেংকে আহৰণ কৰা মুনাফাও বেংকৰ দেনাপক্ষৰ অন্তৰ্ভুক্ত হয়, কাৰণ সেইবোৰ গ্ৰাহকৰ প্ৰাপ্য।

পাওনাপক্ষৰ চমু বিৱৰণ

- *নগদ সংৰক্ষণ* হ'ল সবাতোকৈ তৰল পাওনা আৰু ইয়াক প্ৰথম শ্ৰেণীৰ নিৰাপত্তা বুলি অভিহিত কৰা হয়। প্ৰত্যেক বেংকেই গ্ৰাহকৰ প্ৰয়োজন পূৰাবলৈ এক নিৰ্দিষ্ট পৰিমাণৰ নগদ মুদ্ৰা ৰাখে। বেংকৰ নগদ সংৰক্ষণ তিনি প্ৰকাৰৰ —
  (ক) হাতত থকা কাগজী আৰু ধাতু মুদ্ৰা,
  (খ) কেন্দ্ৰীয় বেংকত ৰখা কাগজী আৰু ধাতু মুদ্ৰা, আৰু
  (গ) অন্য বেংকত ৰখা কাগজী আৰু ধাতু মুদ্ৰা।
- যিবোৰ ঋণ প্ৰয়োজন সাপেক্ষে চমু জাননীৰ জৰিয়তে পুনৰ ঘূৰাই পাব পাৰি সেইবোৰকে *হ্ৰস্বকালীন ঋণ আৰু জাননী* বুলি কোৱা হয়। এনে ঋণৰ সৰ্বাধিক সময় সীমা হ'ল ১৫ দিন। এনে ঋণসমূহ তৰল আৰু উপাৰ্জনক্ষম। এইবোৰ লোকচান নোহোৱাকৈ নগদ মুদ্ৰালৈও ৰূপান্তৰ কৰিব পাৰি।
- ক্ৰয় বা ***ডিচ্‌কাউণ্ট যুক্ত বিল*** সমূহো বেংকৰ পাওনাপক্ষত অন্তৰ্ভুক্ত। ক্ৰয় মূল্য আৰু ম্যাদপূৰ্ণ মূল্যৰ পাৰ্থক্যখিনিয়েই হ'ল বেংকৰ উপাৰ্জন।
- বেংকে মূলত চৰকাৰী অংশপত্ৰৰ দৰে লাভজনক পাওনা বা সম্পদত *বিনিয়োগ* কৰে। সু-প্ৰতিষ্ঠিত উদ্যোগিক খণ্ডৰ স্থিৰ সুতৰ হাৰ আহৰণ কৰা ডিবেঞ্চাৰ বা বণ্ডতো বাণিজ্যিক বেংকে বিনিয়োগ কৰে।
- ঋণ আৰু অগ্ৰিম হ'ল বেংকৰ সবাতোকৈ লাভজনক আৰু আটাইতকৈ কম তৰল পাওনা। বেংকে ***ওভাৰ ড্ৰাফট*** বা বিনিময় পত্ৰৰ বাট্টাকৰণৰ জৰিয়তে ঋণ আৰু অগ্ৰিম আগবঢ়ায়। ঋণবোৰ দীৰ্ঘসময়ৰ বাবে আৰু অগ্ৰিমসমূহ কম সময়ৰ বাবে দিয়া হয়।
- *ভৱন আৰু স্থিৰ সম্পদে* বেংকৰ সকলোবোৰ স্থাৱৰ-অস্থাৱৰ সম্পদক সামৰি লয়। এইবোৰ সম্পদে কোনো ধৰণৰ আয় উপাৰ্জন নকৰে আৰু বেংকৰ মুঠ সম্পদ (পাওনাৰ)ৰ কেৱল মাত্ৰ নগণ্য অংশ এটাহে অধিকাৰ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ বাণিজ্যিক বেংক কি ? (৪০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্রশ্ন ২ ঃ কি বৈশিষ্ট্যই বাণিজ্যিক বেংকক অন্যান্য বিত্তীয় প্রতিষ্ঠানৰপৰা পৃথক কৰে? (৩০টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন ৩ ঃ বাণিজ্যিক বেংকৰ দুটা গুৰুত্বপূর্ণ কার্য উল্লেখ কৰক। (৩০টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন ৪ ঃ বাণিজ্যিক বেংকৰ পাওনা আৰু দেনা বুলিলে কি বুজে? (৪০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্রশ্ন ৫ ঃ ATM কি? (৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

৮.৫ তাৰল্য আৰু লাভৰ মাজৰ সংঘাত বা বৈপৰীত্য

বাণিজ্যিক বেংকবোৰ এক প্রকাৰৰ লাভ বিচৰা প্রতিষ্ঠান বা সংস্থা। অর্থাৎ বাণিজ্যিক বেংকৰ উদ্দেশ্যই হৈছে লাভ উপার্জন কৰা। এনে বেংকবোৰে তেওঁলোকৰ পত্র গুচ্ছ (Portfolio) বোৰ ঘাইকৈ দেনা-পাওনাবোৰ কেনেদৰে ব্যৱহাৰ কৰে সেইটোৱেই হিচাবৰ বহীত তেওঁলোকৰ

লাভৰ পৰিমাণ নির্দেশ কৰে। পত্রগুচ্ছ পৰিচালনা (Portfolio Management) বুলিলে বেংকবোৰৰ দেনা-পাওনা (Liabilities and Assets)ৰ শৃংখলাৱদ্ধ পৰিচালনাক বুজোৱা হয়। আন কথাত বেংকৰ দেনা-পাওনাবোৰ এনেদৰে পৰিচালনা কৰিব লাগে যাতে বেংকৰ লাভৰ পৰিমাণ সর্বাধিক হয়। বেংকবোৰে যদিও লাভ কৰিব বিচাৰে একে সময়তে বিনিয়োগ কৰা ধনৰ ক্ষেত্রত সম্পদৰ তাৰল্যতা (বা নগদ অৱস্থা) আৰু নিৰাপত্তাৰ কথাও চিন্তা কৰিব লগা হয়। আন কথাত পাওনাৰ বিভিন্ন শিতানত বিনিয়োগ কৰা সম্পদৰ তাৰল্যতা আৰু নিৰাপত্তাৰ বিষয়টোও বেংকৰ বাবে চিন্তনীয়।

বেংকে লাভ অর্জন কৰিবই লাগিব। অংশপত্র ক্রয় কৰা ব্যক্তি তথা অনুষ্ঠান-প্রতিষ্ঠানে উপযুক্ত পৰিমাণে লভ্যাংশ নাপালে তেওঁলোকৰ অংশ উঠাই নিব বিচাৰিব নতুবা বিক্রী কৰি দিব। সেয়েহে বেংকবোৰে অংশীদাৰসকলৰ বাবে লাভ উপার্জন কৰাৰ লগতে উপভোক্তা বা আমানতকাৰীসকলৰ টকা উঠোৱাৰ চাহিদাও পূৰণ কৰিব লাগিব। ইয়াতে দেখা দিয়া প্রধান সমস্যাটো হৈছে বেংকটোৱে কেনেদৰে পৰিসম্পদ (পাওনা)ৰ তাৰল্য আৰু লাভৰ মাজত সন্তুলতা ৰক্ষা কৰিব, কাৰণ পৰিসম্পদৰ তাৰল্য আৰু লাভ উপার্জনৰ ধাৰণাটো একেবাৰে বিপৰীত ধর্মী।

পাওনা বা পৰিসম্পদৰ তাৰল্যতাৰ লগতে নিৰাপত্তাও সর্বাধিক হ'ব যদিহে বেংকবোৰে সংগ্রহ কৰা আমানতৰ সৰহ অংশই হাতত নগদ ধন হিচাবে জমা ৰাখে। কিন্তু তাকে কৰিবলৈ হ'লে বেংকে একো লাভ উপার্জন কৰিব নোৱাৰিব। যিহেতু বেংকবোৰে কোনো বিনিয়োগ কৰিব নোৱাৰিব। সেয়েহে বেংকটোৱে সর্বাধিক নিৰাপত্তাৰ কথা ভাবিলে লাভ উপার্জনৰ লক্ষ্য ত্যাগ কৰিব লাগিব। আনহাতে আকৌ বেংকবোৰে যদি লাভ উপার্জনৰ বাবে কেবল বিনিয়োগেই কৰি থাকিব বিচাৰে তেনেহ'লে আমানতকাৰী গ্রাহকসকলে আমানতৰ ধন উঠাই নিব বিচাৰিলে বেংকৰ সমস্যা হ'ব। এতেকে বেংকবোৰে লাভ আৰু তাৰল্যতাৰ লক্ষ্য দুটাৰ মাজত সহমতত অহাতো বেংকৰ বাবে টান হৈ পৰে।

এই সংঘাতবোৰ দূৰ কৰিবৰ কাৰণে অর্থনীতিবিদসকলে সময়ে সময়ে কিছুমান তত্ত্ব উদ্ভাৱন কৰি আহিছে। এই তত্ত্ব বা নীতিসমূহে সংশ্লিষ্ট উদ্দেশ্য দুটাৰ প্রতি লক্ষ্য ৰাখি পাওনাৰ বিভিন্ন শিতানত সম্পদ বিতৰণক পৰিচালিত কৰি আহিছে। এই তত্ত্ববোৰক তাৰল্য পৰিচালনাৰ নীতি বুলিও জনা যায়। এই তত্ত্ববোৰ তলত চমুকৈ আলোচনা কৰা হ'ল।

ৰিয়েল বিলৰ মতবাদ বা তত্ত্ব (The Real Bills Doctrine) এই তত্ত্বটোক বাণিজ্যিক ঋণৰ তত্ত্ব বুলিও জনা যায়। এই তত্ত্বটো অনুসৰি বাণিজ্যিক বেংকে ব্যৱসায় প্রতিষ্ঠানবোৰক কেৱল হ্রস্বকালীন স্বয়ংক্রিয়ভাৱে পৰিশোধ হোৱা উৎপাদনশীল ঋণ প্রদান কৰা উচিত। স্বয়ংক্রিয়ভাৱে (বা নিজে নিজে) পৰিশোধ হোৱা এনেধৰণৰ ঋণবোৰ সাধাৰণতে ব্যৱসায় প্রতিষ্ঠানক বস্তুৰ উৎপাদন, আদান-প্রদান, মজুতকৰণ, পৰিবহন আৰু বিতৰণৰ বাবে আগবঢ়োৱা হয় যাতে বস্তুবোৰ বিক্রী হোৱাৰ লগে লগে সম্পূর্ণ ঋণ স্বয়ংক্রিয়ভাৱে পৰিশোধ হৈ যায়। উদাহৰণস্বৰূপে বেংক এটাই ব্যৱসায় প্রতিষ্ঠান এটাক বা ব্যৱসায়ী এজনক উৎপাদিত বস্তুৰ

তালিকা (Inventories) প্রস্তুতৰ বাবে দিয়া ঋণ সেই বস্তুবোৰ বিক্রী কৰি পোৱা আয়েৰেই পৰিশোধ হয়। অর্থাৎ ঋণটো স্বয়ংক্রিয়ভাৱে পৰিশোধ হৈ যায়।

অপসাৰণৰ তত্ত্ব (Shiftability Theory) ঃ বেংকৰ তাৰল্য সম্পর্কীয় এই তত্ত্বটোৰ উদ্ভাৱকজন হৈছে H.G. Moulton। তেওঁৰ মতে যদিও বাণিজ্যিক বেংকবোৰে পৰিসম্পদৰ এটা বিশেষ অংশ প্রয়োজনীয় নগদ প্রাপ্তিৰ বাবে আন বেংকবোৰলৈ বস্তুগত ক্ষতি নোহোৱাকৈ অপসাৰিত কৰি থ'ব পাৰে তেতিয়া পৰিসম্পদবোৰৰ maturity বা পূর্ণতাপ্রাপ্তিৰ (Matirial loss)ৰ বাবে বেংকবোৰে অপেক্ষা কৰাৰ প্রয়োজন নহয়। এই ক্ষেত্রত এইটো মন কৰিব লগীয়া যে যেতিয়া নগদ ধনৰ প্রয়োজন হয় তেতিয়া কোনো এবিধ পৰিসম্পদ অপসাৰণযোগ্য হ'বলে হ'লে, মূলধনৰ ক্ষতি নোহোৱাকৈ তাক তৎকালীনভাৱে নগদ ধনৰ প্রয়োজন পূৰাবলৈ আন এবিদ পৰিসম্পদলৈ পৰিৱর্তন কৰিব লাগিব। ট্রেজাৰী বিল, বিল-অব-একচেঞ্জ আদিৰ দৰে হ্রস্বকালীন বজাৰত বিনিয়োগৰ বাবে ইয়াক বিশেষভাৱে প্রয়োগ কৰা হয়। কাৰণ বেংকৰ প্রয়োজনীয় পুঁজি বৃদ্ধিৰ কাৰণে ট্রেজাৰী বিল, বিল-অব-একচেঞ্জ আদি তৎকালীনভাৱে বিক্রী কৰিব পৰা যায়। কিন্তু সাধাৰণ সংকটৰ সময়ত যেতিয়া সকলো বেংকৰে নগদ ধন বা তৰল সম্পদৰ প্রয়োজন হয় তেতিয়া অপসাৰণৰ তত্ত্ব অনুসৰি আটাইবোৰ বেংকৰে এনে পৰিসম্পদ থাকিব লাগে যাতে শেষ মুহূর্তৰ ঋণদাতা স্বৰূপ কেন্দ্রীয় বেংকলৈ অপসাৰণ কৰিব পৰা যায়। বর্তমান সময়ৰ বেংক ব্যৱস্থাত প্রকৃততে ব্যৱহাৰ হৈ থকা কেতবোৰ ব্যৱস্থাৰ লগত এই তত্ত্বটো সম্পর্কিত কৰিব পাৰি। বেংকবোৰে এতিয়া শক্তিশালী পৰিসম্পদ কিছুমান গ্রহণ কৰে যিবোৰ আন বেংকলৈ অপাৰিত কৰিব পৰা যায়। ডাঙৰ ডাঙৰ কোম্পানীবোৰৰ বন্ধকী (Securities) ট্রেজাৰীবিল,বিল-অব-এক্সচেঞ্জ আৰু ঋণপত্র (Debenturs)ৰ লগতে ট্রেজাৰীবিল,বিল-অব-এক্সচেঞ্জবোৰকো তৰল দেনা হিচাপে গ্রহণ কৰা হয়। এই প্রক্রিয়াই বেংকবোৰক দীর্ঘম্যাদী ঋণ দিয়াৰ ক্ষেত্রত উৎসাহিত কৰিছে।

আনুমানিক আয়ৰ তত্ত্ব (Anticipated Income Theory) ঃ আমেৰিকাৰ যুক্তৰাষ্ট্রৰ বাণিজ্যিক বেংক ব্যৱস্থাই ব্যৱহাৰ কৰা প্রসাৰিত দীর্ঘম্যাদী ঋণ (Extending Term Loan) ব্যৱস্থাৰ ওপৰত ভিত্তি কৰি H. V. Prochanow এ ১৯৪৪ চনত এই ব্যৱস্থাটো উদ্ভাৱন আৰু ব্যাখ্যা কৰিছিলে। এই তত্ত্বটো অনুসৰি ঋণ লোৱা ব্যক্তিৰ ব্যৱসায়ৰ প্রকৃতি আৰু বৈশিষ্ট্যৰ লগত সম্পর্ক নৰখাকে বেংকটোৱে দীর্ঘম্যাদী ঋণ পৰিশোধৰ ব্যৱস্থা ঋণীৰ আনুমানিক আয়ৰ পৰা কৰে। দীর্ঘম্যাদী ঋণ সাধাৰণতে এবছৰতকৈ অধিক সময়ৰ বাবে দিয়া হয়। সাধাৰণতে ঋণীয়ে বন্ধক ৰখা যন্ত্রপাতি, স্থাবৰ সম্পত্তি আদিৰ মূল্যৰ বিপৰীতে দীর্ঘকালীন ঋণ দিয়া হয়। এনে ঋণ দিওতে বেংকে ঋণীৰ বিত্তীয় কার্যকলাপৰ ওপৰতো নিয়ন্ত্রণ আৰোপ কৰিব পাৰে। এনে ঋণ দিবৰ সময়ত বেংকে কেৱল নিৰাপত্তা বা বন্ধকী পত্র (Securities) ই নহয় ঋণীৰ আনুমানিক বা সাম্ভাব্য আয়ৰ কথাও বিবেচনা কৰে। ঋণৰ পৰিণতিৰ সময়ত মুঠ মাট হিচাপে ঋণ পৰিশোধ কৰাৰ পৰিবর্তে ঋণীৰ আনুমানিক আয়ৰ পৰা কিস্তি ভিত্তিত এনে ঋণ পৰিশোধৰ ব্যৱস্থা কৰা হয়।

দেনা পৰিচালনাৰ তত্ত্ব (Liabilities Management Theory) ঃ এই তত্ত্বটো ১৯৬০ চনত উদ্ভাৱন কৰা হৈছিল। এই তত্ত্বটো অনুসৰি বেংকে নিজে নিজে মাৰা যোৱা ঋণ দিয়া বা নগদ ধন মজুত ৰখাৰ প্ৰয়োজন নাই। কাৰণ মুদ্ৰা বজাৰত সংৰক্ষিত থকা মুদ্ৰা বেংকে যেতিয়াই প্ৰয়োজন হয় ধাৰলৈ ল'ব পাৰে। বিভিন্ন প্ৰকাৰ দেনাৰ সৃষ্টি কৰিও বেংকে বিভিন্ন উৎসৰ পৰা প্ৰয়োজনীয় সম্পদ আহৰণ কৰিব পাৰে। আমানতৰ এককালীন প্ৰমাণপত্ৰ (Time Certificates of Deposits), অন্যান্য বাণিজ্যিক বেংকৰ পৰা ধাৰে লোৱা, কেন্দ্ৰীয় বেংকৰ পৰা লোৱা ঋণ, অংশপত্ৰ বিক্ৰী কৰি সংগ্ৰহ কৰা মূলধনৰ পুঁজি আৰু লাভৰ পুনৰ বিনিয়োগ আদিক এই উৎসবোৰৰ অন্তৰ্ভুক্ত কৰা হয়। বেংকৰ পুঁজি সংগ্ৰহৰ এই উৎসসমূহ আমি তলত চমুকৈ উপস্থাপন কৰিলো।

আমানতৰ এককালীন প্ৰমাণ পত্ৰ (Time Certificates of Deposits) ঃ আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে কিছুমান উন্নত দেশত আমানতৰ এককালীন প্ৰমাণ পত্ৰবোৰ বাণিজ্যিক বেংকবোৰৰ সংৰক্ষিত জমাৰ নগদ মুদ্ৰাৰ প্ৰধান উৎস। এনে এককালীন প্ৰমাণ পত্ৰবোৰৰ ম্যাদৰ কাল বেলেগ বেলেগ হোৱা দেখা যায়। সাধাৰণতে ম্যাদৰ কাল ৯০ দিনৰ পৰা ১২ মাহতকৈ কম দিনৰ ভিতৰত হোৱা দেখা যায়। এইবোৰ মুদ্ৰা বজাৰত কিনা-বেচাও কৰিব পৰা যায়। তৰল সম্পদ বা নগদ ধনৰ প্ৰয়োজন হ'লে বেংকে এনে প্ৰমাণ পত্ৰবোৰ মুদ্ৰা বজাৰত বিক্ৰী কৰিবও পাৰে। এই ক্ষেত্ৰত দুটা সীমাৱদ্ধতা আছে। প্ৰথমটো হৈছে— দেশখনৰ অৰ্থ ব্যৱস্থাৰ সমৃদ্ধিৰ (Boom) অৱস্থাত মুদ্ৰা বজাৰত সুদৰ হাৰ যদি কেন্দ্ৰীয় বেংকে নিৰ্ধাৰিত কৰি দিয়া সৰ্বাধিক সুদৰ হাৰতকৈ বেছি হয়, তেনেহ'লে আমানতৰ এককালীন প্ৰমাণ পত্ৰবোৰ বেংকৰ দ্বাৰা মুদ্ৰা বজাৰত বিক্ৰী কৰিব পৰা নাযাব। দ্বিতীয়তে এনে প্ৰমাণ পত্ৰবোৰ বাণিজ্যিক বেংকৰ পুঁজিৰ নিৰ্ভৰশীল উৎস, ডাঙৰ ডাঙৰ বাণিজ্যিক বেংকবোৰৰ যদি বৃহৎ পৰিমাণৰ এনে এককালীন প্ৰমাণ পত্ৰ থাকে, তেনে ক্ষেত্ৰত তেওঁলোকে কম সুদৰ হাৰত এনে প্ৰমাণ পত্ৰবোৰ বিক্ৰী কৰি সৰু সৰু বেংকবিলাকৰ তুলনাত অধিক সুবিধা লাভ কৰাৰ সুযোগ ল'ব পাৰে। এনে ক্ষেত্ৰত সৰু সৰু বেংকবোৰ অসুবিধাত পৰিব।

আন আন বাণিজ্যিক বেংকৰ পৰা লোৱা ঋণ (Borrowing from Other Commercial Banks) ঃ বেংক এটাই অধিক জমা ধন থকা আন এটা বেংকৰ পৰা ঋণ লৈ অতিৰিক্ত দেনাৰ সৃষ্টি কৰিব পাৰে। কিন্তু এনে ঋণ সাধাৰণতে অতি কম সময়ৰ বাবে অৰ্থাৎ এদিন বা খুব বেছি এসপ্তাহলৈ লোৱা দেখা যায়। এনে ঋণৰ ক্ষেত্ৰত সুদৰ হাৰ মুদ্ৰাবজাৰত প্ৰচলিত সুদৰ হাৰৰ ওপৰত নিৰ্ভৰ কৰে। দেশখনৰ অৰ্থ ব্যৱস্থা স্বাভাৱিক থাকিলে বেংক এটাই এনে ঋণ ল'ব পাৰে। কাৰণ দেশৰ অৰ্থ ব্যৱস্থা অস্বাভাৱিক থাকিলে কোনো বেংকেই আন বেংকক ঋণ দিব নিবিচাৰিব পাৰে।

কেন্দ্ৰীয় বেংকৰ পৰা লোৱা ঋণ (Borrowing from the Central Bank) ঃ দেশখনৰ কেন্দ্ৰীয় বেংকৰ পৰা ঋণ লৈও বেংকবোৰে দেনাৰ সৃষ্টি কৰে। বেংকবোৰে তেওঁলোকৰ হ্ৰস্বকালীন তৰলতাৰ চাহিদাৰ প্ৰয়োজন পূৰণাৰ্থে কেন্দ্ৰীয় বেংকৰ পৰা বিল ভঙাই লয় আৰু ঋণো লয়। অন্যান্য উৎসৰ পৰা লোৱা ঋণতকৈ এনে ঋণবোৰ অধিক ব্যয় বহুল হয়।

মূলধনৰ পুঁজি বৃদ্ধিকৰণ (Raising Capital Fund) ঃ বাণিজ্যিক বেংকবোৰে অংশপত্ৰ আৰু ঋণপত্ৰ (Debentures) প্ৰচলন কৰিও পুঁজি সংগ্ৰহ কৰে। বেংকটোৱে দিব বিচৰা সুদৰ হাৰ বা লভ্যাংশৰ ওপৰত এনে উৎসৰ পৰা সংগ্ৰহ কৰা পুঁজিৰ পৰিমাণ নিৰ্ভৰ কৰে। সাধাৰণতে নিৰ্মাণ উদ্যোগ বা ব্যৱসায় প্ৰতিষ্ঠানে দিয়া লভ্যাংশতকৈ অধিক লভ্যাংশ বেংকবোৰে আদায় দিবলৈ নোৱাৰে। সেয়েহে বেংকবোৰে এনে উৎসৰ পৰা অধিক পুঁজি সংগ্ৰহ কৰিবলৈ সমৰ্থ নহ'বও পাৰে। এনে আহিলাবোৰৰ বিক্ৰীৰ পৰিমাণ বিক্ৰীৰ সময়ত দেশখনৰ অৰ্থনৈতিক পৰিস্থিতিৰ ওপৰত নিৰ্ভৰশীল হোৱা দেখা যায়।

লাভৰ পুনৰ বিনিয়োগ (Ploughing Back of Profits) ঃ বাণিজ্যিক বেংকবোৰৰ নগদ ধনৰ পুঁজি সংগ্ৰহৰ আন এটা উৎস হৈছে তেওঁলোকৰ লাভৰ ধনৰ পুনৰ বিনিয়োগ কৰা। বেংক এটাই এইটো উৎসৰ পৰা পাব পৰা পুঁজিৰ পৰিমাণ নিৰ্ভৰ কৰে বেংকটোৱে কৰা লাভৰ পৰিমাণ আৰু ঘোষণা কৰা লভ্যাংশৰ পৰিমাণৰ ওপৰত বা বেংকৰ লভ্যাংশ বিতৰণৰ নীতিৰ ওপৰত। সৰু বেংকবোৰতকৈ ডাঙৰ বেংকবোৰে এই উৎসটোৰ ওপৰত বেছি নিৰ্ভৰ কৰিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৬ ঃ এটা বাণিজ্যিক বেংকৰ তৰলতা আৰু লাভৰ লক্ষ্যৰ মাজত সংঘাতৰ কাৰণ কি? (৬০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

প্ৰশ্ন ৭ ঃ তৰলতা পৰিচালনাৰ প্ৰধান তত্ত্ববোৰ কি? (৩০টা শব্দৰ ভিতৰত)

.....

.....

.....



৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- যিবোৰ বেংকে এক বিশেষ ধৰণৰ ব্যৱসায়ৰ পৰিবৰ্তে সাধাৰণ উদ্দেশ্যেৰে ব্যৱসায় কৰে তেনেবোৰ বেংককে বাণিজ্যিক বেংক বুলি অভিহিত কৰা হয়। এই প্ৰতিষ্ঠানবোৰে জনসাধাৰণৰ পৰা সঞ্চয় সংগ্ৰহ কৰে আৰু ঋণ প্ৰদানৰ বাবে সেইবোৰ ব্যৱহাৰ কৰে।

- আধুনিক অর্থনীতিত বাণিজ্যিক বেংকে কেতবোৰ অমূল্য কার্য সম্পাদন কৰে। এই বেংকসমূহে সম্পাদন কৰা ব্যাপক কার্যসমূহ হ'ল — সঞ্চয় সংগ্রহ, ঋণ প্রদান, ঋণ সৃষ্টি, প্রতিনিধিমূলক আৰু উপযোগিতামূলক কার্য।
- বিত্তীয় মধ্যস্থতাকাৰী হিচাপে বাণিজ্যিক বেংকে প্রধানকৈ বিত্তীয় সম্পদৰ লেনদেন কৰে।
- বাণিজ্যিক বেংকৰ বেলেঞ্চছিট হ'ল বেংকৰ এক নির্দিষ্ট সময়ৰ দেনাপক্ষ আৰু পাওনাপক্ষৰ বিৱৰণ।
- পাওনা পক্ষ হ'ল অইনৰ ওপৰত বেংকৰ দাবী আৰু ইয়াৰ সম্পদৰ মালিকীস্বত্ব প্রতিনিধিত্ব কৰা সকলোবোৰ পাওঁনা বিষয়। আনহাতে দেনাপক্ষই বেংকৰ ওপৰত অইনৰ দাবী প্রতিনিধিত্ব কৰা সকলোবোৰ দেনা বিষয়ক বুজায়।
- বেলেঞ্চছিটত মুঠ দেনা আৰু মুঠ পাওনা সদায় সমান হয়।
- বেংকৰ পাওনাপক্ষত নগদ মুদ্রা, জাননীৰ দ্বাৰা আনিব পৰা মুদ্রা, বাট্টাকৃত বিনিময় পত্র, বিনিয়োগ, ঋণ আৰু অগ্রিম, স্থাৱৰ-অস্থাৱৰ সকলোবোৰ সম্পত্তি অন্তর্ভুক্ত হয়। দেনাপক্ষত অংশীদাৰ, মূলধন, আমানত সংৰক্ষণ, অন্য বেংকৰপৰা লোৱা ঋণ, ইত্যাদি অন্তর্ভুক্ত হয়।
- বাণিজ্যিক বেংকবোৰ হৈছে লাভ কৰিব বিচৰা অনুষ্ঠান বা বাণিজ্যিক বেংকবোৰে যি ধৰণে সিহঁতৰল পত্রগুচ্ছ (Portfolio) বোৰ ব্যৱহাৰ কৰে সেইটোৱে সিহঁতৰ হিচাবৰ বহীত লাভৰ পৰিমাণ নির্ধাৰণ কৰে। পত্রগুচ্ছ পৰিচালনা (Portfolio Management) হৈছে বাণিজ্যিক বেংকবোৰে কেনেদৰে তেওঁলোকৰ দেনা-পাওনাবোৰ ব্যৱহাৰ কৰে। পত্রগুচ্ছ পৰিচালনাই লাভৰ পৰিমাণ সর্বাধিক কৰাৰ কাৰণে বেংকৰ দেনা-পাওনাবোৰ কেনেদৰে পৰিচালনা কৰা হয় তাকে বুজায়।
- যদিও বেংকবোৰে লাভ উপার্জন কৰিব বিচাৰে একে সময়তে তেওঁলোকে পাওনা বা পৰিসম্পদৰ তৰলতা আৰু নিৰাপত্তাৰ কথাও বিবেচনা কৰে। বেংকবোৰে লাভ উপার্জন কৰিবই লাগিব। যদিহে নকৰে তেনেহ'লে অংশীদাৰসকলে উপযুক্ত পৰিমাণে লভ্যাংশ নাপালে তেওঁলোকৰ অংশবোৰ বিক্রী কৰি দিব (বা উঠাই ল'ব)। সেয়েহে বেংকবোৰে অংশীদাৰসকলৰ বাবেই লাভ উপার্জন কৰিবই লাগিব। লগতে উপভোক্তাসকলৰ টকা উঠাই নিয়া প্রৱণতাৰ প্রয়োজন পূৰণৰ বিষয়টোও বিবেচনা কৰিব লাগিব। এই ক্ষেত্রত প্রধান সমস্যাটো হৈছে কেনেকৈ তাৰল্যতা আৰু লাভৰ মাজত এটা সন্তুলিত অৱস্থা বর্তাই ৰাখিব পাৰে। কাৰণ এই দুয়োটা লক্ষ্যই সম্পূর্ণভাৱে এটা আনটোৰ বিপৰীত ধর্মী। এইটোৱেই তাৰল্য আৰু লাভৰ নীতিৰ মাজত মূল সংঘাত।
- তাৰল্যতা আৰু লাভৰ নীতিৰ মাজত থকা সংঘাতবোৰ দূৰ কৰিবৰ কাৰণে অর্থনীতিবিদসকলে সময়ে সময়ে কিছুমান তত্ত্ব বা নীতি উদ্ভাৱন কৰিছে। এই তত্ত্বসমূহে তাৰল্যতা আৰু লাভৰ সংঘাতৰ প্রতি লক্ষ্য ৰাখি পাওনা (বা পৰিসম্পদ)ৰ বিভিন্ন শিতানত সম্পদৰ বিতৰণ ব্যৱস্থাক নির্দেশ দি প্রভাৱান্বিত কৰি আহিছে। এই তত্ত্ববোৰক সেই কাৰণে

তাৰল্যতা পৰিচালনাৰ তত্ত্ব বুলিও জনা যায়। এই তত্ত্বসমূহ হৈছে— প্ৰকৃত বিলৰ মতবাদ, অপসাৰণ তত্ত্ব, আনুমানিক আয়ৰ তত্ত্ব, দেনা পৰিচালনাৰ তত্ত্ব ইত্যাদি।



৮.৭ অধিক জানিবৰ বাবে

ইংৰাজী গ্ৰন্থ ঃ

- Gupta, S. B. Gupta (1999). *Monetary Economics – Institutions, Theory and Policy*, New Delhi: S .Chand and Company Ltd.
- Paul, R. R. (2008). *Monetary Economics.* Ludhiana: Kalyani Publisher
- Rana, K. C. & Verma, K. N. (2009). *Macro Economic Analysis.* New Delhi: Vishal Publishing Co.

অসমীয়া গ্ৰন্থ ঃ

- আহমেদ, ৰফিক (২০০৭) ঃ *সমষ্টিগত অৰ্থতত্ত্ব*। যোৰহাট ঃ ইউনিকা প্ৰকাশন



৮.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ যিবোৰ বেংকে এক বিশেষ ধৰণৰ ব্যৱসায়ৰ পৰিবৰ্তে সাধাৰণ উদ্দেশ্যেৰে ব্যৱসায় কৰে তেনেবোৰ বেংককে বাণিজ্যিক বেংক বোলে। এই প্ৰতিষ্ঠানবোৰে জনসাধাৰণৰ পৰা আমানত সংগ্ৰহ কৰে আৰু ঋণ প্ৰদানৰ বাবে সেইবোৰ ব্যৱহাৰ কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ বাণিজ্যিক বেংক হ'ল একমাত্ৰ वित्तীয় প্ৰতিষ্ঠান যাৰ ঋণ সৃষ্টিৰ ক্ষমতা আছে। এই বৈশিষ্ট্যই ইয়াক অন্য বিত্তীয় প্ৰতিষ্ঠানৰ পৰা পৃথক কৰিছে।

৩ নং প্ৰশ্নৰ উত্তৰঃ বাণিজ্যিক বেংকৰ দুটা গুৰুত্বপূৰ্ণ কাম হৈছে—

(১) বাণিজ্যিক বেংকে জনসাধাৰণৰ পৰা আমানত সংগ্ৰহ কৰে। ই সকলো প্ৰকাৰ ব্যক্তি, দল (বা ব্যক্তিসমূহ) বা অনুষ্ঠান-প্ৰতিষ্ঠান বা সংগঠনবিলাকৰ পৰা আমানত জমা থ'বৰ কাৰণে আকৰ্ষিত কৰিব পাৰে।

(২) বাণিজ্যিক বেংকৰ দ্বিতীয় গুৰুত্বপূৰ্ণ কাম হৈছে দেশখনৰ অৰ্থনীতিত থকা সকলো খণ্ডলৈ ঋণ অনুমোদন কৰা। হাতত কিছু নগদ ধন জমা ৰখাৰ পিছত বেংকে তেওঁলোকৰ তাত জমা ৰখা আমানতৰ ধন প্ৰয়োজন থকা জনক ঋণ হিচাপে দিয়ে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ বাণিজ্যিক বেংকৰ বেলেঞ্চছিট এখনৰ পাওনাপক্ষই অইনৰ ওপৰত বেংকৰ দাবী প্ৰতিনিধিত্ব কৰা সকলোবোৰ ঋণ বিষয়কে বুজায়। ইয়াৰ বিপৰীতে দেনাপক্ষই বেংকৰ ওপৰত অইনৰ দাবী প্ৰতিনিধিত্ব কৰা সকলোবোৰ দেনা বিষয়কে বুজায়।

৫ নং প্ৰশ্নৰ উত্তৰঃ ATM এবিধ বৈদ্যুতনিক দূৰ সংযোগ পদ্ধতি বা উপায়। যিয়ে বেংক এটাৰ

গ্রাহকবোৰক কোনো কেছিয়াৰ বা বেংকৰ টেলাৰৰ সহায় নোলোৱাকৈ বিত্তীয় আদান বিশেষকৈ নগদ ধন উলিয়াই অনাৰ ক্ষেত্রত সহায় কৰে। গ্রাহকবোৰে ATM ব্যৱহাৰ কৰি তেওঁলোকৰ বেংকত থকা জমা বা ঋণৰ হিচাব (Deposit or Credit-ecount) , বিভিন্ন প্রকাৰৰ লেনদেন যেনে টকা উলিওৱা বা কিমান টকা জমা আছে তাৰ হিচাব লোৱাৰ লগতে আন একাউণ্টলৈ টকা হস্তান্তৰ কৰিব পাৰে।

৬ নং প্রশ্নৰ উত্তৰঃ বাণিজ্যিক বেংকবোৰে আমানতকাৰী বা গ্রাহকৰ টকা উলিওৱাৰ প্রয়োজনৰ প্রতি লক্ষ্য ৰাখি যথেষ্ট পুঁজি হাতত নগদ জমা হিচাপে ৰাখিব লাগে। একে সময়তে লাভ উপার্জন কৰা প্রতিষ্ঠান হিচাবে তেওঁলোকে জমা ৰখা আমানতৰ এক বুজন পৰিমাণৰ অংশ বিনিয়োগ কৰাৰো প্রয়োজন হয়, যাৰ পৰা চমকপ্রদ লাভ উপার্জন কৰিব পাৰে। এই ক্ষেত্রত দেখা দিয়া প্রধান সমস্যাটো হৈছে কেনেকৈ তাৰল্য আৰু লাভৰ মাজত সন্তুলিত অৱস্থা এটা ৰক্ষা কৰিব পৰা যায়, কাৰণ তাৰল্য আৰু লাভ দুয়োটাই সম্পূর্ণভাৰে বিপৰীত ধর্মী বিষয়। এইটোৱেই তাৰল্যতা আৰু লাভৰ মাজত সংঘর্ষ।

৭ নং প্রশ্নৰ উত্তৰঃ তাৰল্যতা পৰিচালনাৰ লগতে সম্পর্কিত তত্ত্ব সমূহ হৈছে—

(i) প্রকৃত বিলৰ মতবাদ (Real Bills Doctrine)

(ii) অপসাৰণ তত্ত্ব (Shiftability Theority)

(iii) আনুমানিক আয় উপার্জনৰ তত্ত্ব (Anticipated Income Theory)

(iv) তাৰল্য পৰিচালনাৰ তত্ত্ব (The Liabilities Management Theory)।

৮.৯ আৰ্হি প্রশ্ন (MODEL QUESTIONS)

চমু প্রশ্ন (১৫০টা মান শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ লিখক)

প্রশ্ন ১ ঃ বাণিজ্যিক বেংক কাক বোলে?

প্রশ্ন ২ ঃ বেংকৰ পাওনা আৰু দেনাৰ মাজত পার্থক্য দেখুওৱাক।

প্রশ্ন ৩ ঃ বাণিজ্যিক বেংকৰ এজেন্সীমূলক কামবোৰ উল্লেখ কৰক।

প্রশ্ন ৪ ঃ বাণিজ্যিক বেংকে আগবঢ়োৱা কিছুমান সাধাৰণ উপযোগিতা সেৱা উল্লেখ কৰক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০টা মান শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ লিখক)

প্রশ্ন ১ ঃ আধুনিক অর্থ ব্যৱস্থাত বাণিজ্যিক বেংকবোৰে কৰা কামবোৰ আলোচনা কৰক।

প্রশ্ন ২ ঃ দেনা আৰু পাওনাৰ প্রধান উপাদানবোৰ দেখুৱাই বাণিজ্যিক বেংকৰ উদ্বৃত্ত পত্র এখন প্রস্তুত কৰক।

প্রশ্ন ৩ ঃ বাণিজ্যিক বেংকৰ যুগ্মলক্ষ্য তাৰল্যতা আৰু লাভৰ মাজত থকা সংঘাতৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৪ ঃ বাণিজ্যিক বেংকৰ তাৰল্যতা পৰিচালনা নীতিৰ লগত সম্পর্কিত তত্ত্বসমূহ ব্যাখ্যা কৰক।

** ***** **